# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-09-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::**

ৰাজ্যত তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ কাম-কাজ অক্টোবৰ মাহৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত ৰাজহ বিভাগৰ এখন কৰ্মশালাত এই কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা মতে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত থাকি যোৱা আবেদনকাৰীসকলৰ আবেদন তৃতীয় পৰ্যায়ত পৰীক্ষণ কৰা হ'ব। তদুপৰি তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত সামাজিক সংস্থা, শিক্ষানুষ্ঠান, দেৱোত্তৰ বৰ্ডৰ ভূমি ম্যাদী পট্টাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাম নিৰ্দিষ্ট সময়সীমাত আবদ্ধ হৈ নাথাকে। শেষৰখন আবেদন নিষ্পত্তি নোহোৱালৈকে তৃতীয় পৰ্যায়ৰ কাম অব্যাহত থাকিব। ভূমি সম্পৰ্কীয় সকলো কাম ৰাজ্য চৰকাৰে গুৱাহাটীৰ পৰাই তদাৰক কৰিব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে শংকৰদেৱ কলাক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে শনিবাৰৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাম-কাজক লৈ বিশেষ কৰ্মশালা অনুষ্ঠিত হৈছে। আজি দ্বিতীয়দিনাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ৰাজহ মন্ত্ৰী যোগেন মহনে কৰ্মশালাত অংশগ্ৰহণ কৰি বিভাগীয় কাম-কাজৰ সন্দৰ্ভত নীতি-নিৰ্দেশনা স্পষ্ট কৰি দিয়ে। এই অনুষ্ঠানত ৰাজহ বিভাগৰ শীৰ্ষ বিষয়াৰ লগতে প্ৰতিখন জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ উপৰি চক্ৰ বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তসকলে মিছন বসুন্ধৰা ৰূপায়ণৰ ক্ষেত্ৰত সততে সন্মুখীন হোৱা সমস্যাসমূহ বিভাগীয় শীৰ্ষ আমোলা বিষয়াক অৱগত কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ৯৯ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ সহযোগত  জালুকবাৰীৰ সমাধিস্থলীত স্মৃতি তৰ্পণ কৰা হয়। বিয়লিলৈ ভূপেন হাজৰিকা সমাধিক্ষেত্ৰত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

আনহাতে শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সমন্বয় দিৱস অনুষ্ঠিত হৈছে। সদৌ অসম ছাত্ৰ সন্থায়েও শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত সন্ধিয়া ৬ বজাৰ পৰা এই অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। অসম সাহিত্য সভাইও গুৱাহাটীৰ দীঘলীপুখুৰীত সাহিত্যসভাৰ প্ৰশাসনীয় কাৰ্যালয়ৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প ১ অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বন বিভাগে এটা বিবৃতিযোগে এইকথা সদৰি কৰিছে। অৱশ্যে মুকলি কৰি দিয়া বিষয়টো বতৰৰ ওপৰত নিৰ্ভৰ কৰিব বুলিও বিবৃতিটোত উল্লেখ কৰা হৈছে। কঁহৰা, বাগৰি আৰু বুঢ়াপাহাৰ বনাঞ্চল কেৱল জীপ ছাফাৰীৰ বাবে মুকলি কৰি দিয়া হ'ব।

০০০০

ৰাজ্য চৰকাৰে অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ একত্ৰিত কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ গঠন কৰিছে। এই পৰিষদৰ অধ্যক্ষ হিচাপে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া আৰ চি জৈনক মনোনীত কৰা হৈছে। আনহাতে, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ বৰ্তমানৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাক উপাধ্যক্ষ হিচাপে নিযুক্তি দিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কেবিনেট বৈঠকত অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০

চৰাইদেউ জিলাৰ মথুৰাপুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প খেলপথাৰত আজি অসম প্ৰদেশ কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছৰ মুঠ ৩৮০ জন বিষয়ববীয়া উপস্থিত থকা এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙকে ধৰি সাংসদ গৌৰৱ গগৈ, প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন আৰু সভাপতি ভূপেন বৰা তথা বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে এখন সংবাদমেলত কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাই আজি পুনৰ কংগ্ৰেছ দলত যোগদান কৰে।

০০০০

মাজুলী জিলা নৱম প্ৰতিষ্ঠা দিৱস আজি জিলা প্ৰশাসনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলীৰ দ্ৰুত উন্নয়ন আৰু সামগ্ৰিক পৰিৱৰ্তনৰ উদ্দেশ্যে ২০১৬ চনৰ আজিৰ দিনটোতে মাজুলী জিলা ঘোষণা কৰা হৈছিল। আজি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত মাজুলী বিধানসভা সমষ্টিৰ বিধায়ক ভূবন গাম উপস্থিত থাকে।

০০০০

সমাপ্ত